# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 15-08 -2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

-------------------

১। সমগ্ৰ দেশতে আজি ৭৯ সংখ্যক স্বাধীনতা দিৱস উলহ-মালহেৰে উদযাপন। আত্মনিৰ্ভৰশীল ভাৰত সন্দৰ্ভত লালকিল্লাৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উদাত্ত ভাষণ।

২। শত্ৰু ৰাষ্ট্ৰৰ প্ৰচেষ্টা ব্যৰ্থ কৰাৰ বাবে ভাৰতে মিছন সুদৰ্শন চক্ৰ আৰম্ভ কৰিব বুলি প্ৰধানমন্ত্ৰীৰ মন্তব্য।

৩। ৰাজ্যত বিগত ৪ বছৰত ১১ হাজাৰৰো অধিক বিদ্ৰোহীয়ে হিংসাৰ পথ ত্যাগ কৰি মূলসুঁতিলৈ উভতি আহিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৪। ৰাজ্যৰ বিভিন্ন জিলাত আজি স্বাধীনতা দিৱসৰ কাৰ্যসূচী।

*আৰু*

৫। আজিৰে পৰা ২১ আগষ্টলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাৰ আয়োজন।

০০০০০

সমগ্ৰ ৰাষ্ট্ৰই আজি ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ ঐতিহাসিক লালকিল্লাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ১০৫ মিনিট জোৰা দীঘলীয়া ভাষণ দিয়ে। শ্ৰীমোদীয়ে ভাষণৰ আৰম্ভণিতে অপাৰেচন সিন্দূৰৰ সাহসী সৈনিকসকললৈ প্ৰণিপাত জনাই কয়, যে এই অভিযান দেশৰ সশস্ত্ৰ বাহিনীৰ সাহস আৰু বীৰত্বৰ শক্তিশালী প্ৰতীক। চৰকাৰে সশস্ত্ৰ বাহিনীক এই অভিযানৰ ৰণনীতি প্ৰস্তুত, লক্ষ্য আৰু সময় নিৰ্ধাৰণৰ বাবে সম্পূৰ্ণ স্বাধীনতা দিছিল বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে দেশৰ সাহসী সৈনিকসকলে শত্ৰুপক্ষক যোগ্য প্ৰত্যুত্তৰ দিলে।

*-বাইট-*

প্ৰধানমন্ত্ৰীয়ে কয়, যে চৰকাৰে ভাৰতবৰ্ষক আত্মনিৰ্ভৰশীল আৰু উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে কাম কৰি আছে। তেওঁ লগতে কয়, যে আত্মনিৰ্ভৰ ভাৰত বিকশিত ভাৰতৰ ভেঁটিস্বৰূপ আৰু সম্প্ৰতি দেশৰ সকলো ক্ষেত্ৰত আধুনিক ব্যৱস্থা গঢ়ি তোলাৰ কাম চলি আছে।

শক্তি আৱশ্যকতা পূৰণৰ বাবে ভাৰত এতিয়াও কেইবাখনো দেশৰ ওপৰত নিৰ্ভৰশীল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এই খণ্ডটোত আত্মনিৰ্ভৰশীলতা অৰ্জনত গুৰুত্ব আৰোপ কৰে। চৰকাৰে ২০৪৭ চনৰ ভিতৰত পাৰমাণিক শক্তি সামৰ্থ্য ১০ গুণৰো অধিক বৃদ্ধি কৰাৰ লক্ষ্যৰে আগবাঢ়িছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ পৰা উভতি অহা গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাৰ কৃতিত্বৰ কথা উল্লেখ কৰি মহাকাশ বিজ্ঞান আৰু অন্বেষণৰ ক্ষেত্ৰত ৩০০ৰো অধিক ষ্টাৰ্ট আপে কাম কৰি থকাৰ কথা প্ৰকাশ কৰে।

*-বাইট-*

বিগত ৮ বছৰত চৰকাৰে জি. এছ. টি. ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দীপাৱলীৰ পৰাই দেশৰ পৰৱৰ্তী পৰ্যায়ৰ জি. এছ. টি সংস্কাৰ আৰম্ভ হ'ব আৰু ইয়াৰ ফলত অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত কৰ হ্ৰাস পোৱাৰ উপৰি এম এছ্ এম ই, খুচুৰা বিক্ৰেতা আৰু গ্ৰাহকসকলে সকাহ পাব।

শ্ৰীমোদীয়ে কয়, যে দেশে শত্ৰু ৰাষ্ট্ৰৰ যিকোনো প্ৰচেষ্টা ব্যৰ্থ কৰাৰ বাবে শক্তিশালী অস্ত্ৰ প্ৰণালী গঢ়ি তোলাৰ বাবে মিছন সুদৰ্শন চক্ৰ আৰম্ভ কৰিব। পৰৱৰ্তী ১০ বছৰত এই ৰাষ্ট্ৰীয় সুৰক্ষা ঢালৰ সম্প্ৰসাৰণ, সুদৃঢ়কৰণ আৰু আধুনিকীকৰণ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে লাখ লাখ লোকৰ বলিদানেৰে যদি এখন স্বাধীন ভাৰত লাভ কৰিব পাৰি তেনেহ'লে সংকল্প, কঠোৰ পৰিশ্ৰম, আত্মনিৰ্ভৰশীলতা আৰু স্বদেশী মন্ত্ৰৰে এখন সমৃদ্ধ ভাৰত নিৰ্মাণ কৰিব পাৰি।

০০০০০

ৰাজ্যত বিগত ৪ বছৰত ১১ হাজাৰৰো অধিক বিদ্ৰোহীয়ে হিংসাৰ পথ ত্যাগ কৰি মূলসুঁতিলৈ উভতি আহিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত পতাকা উত্তোলন কৰি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ২০২১ চনৰ পৰা ১১ হাজাৰৰো অধিক নিষিদ্ধ ঘোষিত সংগঠনৰ সদস্যক পুনৰ সংস্থাপন দিয়া হৈছে। আলফা, আদিৱাসী আৰু ডিমাচা উগ্ৰপন্থীৰ সৈতে শান্তি চুক্তি সম্পন্ন কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ এই শান্তি চুক্তি অনুসৰি ৰাজ্যৰ আন্তঃগাঁথনি বিকাশৰ বাবে ৪ হাজাৰ কোটি টকাৰ আৱণ্টনত অনুমোদন জনাইছে।

নিজৰ ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে স্বৰাজোত্তৰ অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈক সোঁৱৰণ কৰে। তেওঁ কয়, যে বৰদলৈয়ে অসমৰ থলুৱা লোকসকলৰ সুৰক্ষাৰ লগতে প্ৰগতিৰ পথেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল। ড° শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোহিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অসমক দেশৰ তৃতীয়খন দ্ৰুত বিকাশশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত উল্লেখ কৰে। চাংসাৰিত উত্তৰ-পূৱৰ প্ৰথমখন এইমছ, গুৱাহাটীৰ প্ৰস্তাৱিত ৰিং ৰোড প্ৰকল্প, কলিয়াবৰ, নুমলীগড়ত এলিভেটেড কৰিডৰ, নুমলীগড়-গহপুৰ সংযোগী সুৰংগ পথৰ লগতে কেইবাটাও প্ৰকল্পৰ কথা মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে। ৰাজ্যখনত এহেজাৰ ৫০০ কিলোমিটাৰ ৰে'লপথৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হৈছে বুলি উল্লেখ কৰাৰ লগতে অহা ডিচেম্বৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ টাৰ্মিনেল উদ্বোধন কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ৰাজ্যৰ জনগাঁথনিৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যা দূৰ কৰিবলৈ অসম চৰকাৰে চলোৱা উচ্ছেদ অভিযানৰ প্ৰসংগও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ অবৈধ দখলকাৰীৰ পৰা ভূমি পুনৰুদ্ধাৰ কৰাৰ ক্ষেত্ৰত দায়িত্বশীল নাগৰিক হিচাপে নিজৰ কৰ্তব্য পালন কৰিবলৈ সকলোকে আহ্বান জনায়।

***-বাইট-***

বিকাশৰ ক্ষেত্ৰত ২০২০-২১ বৰ্ষৰ তুলনাত ২০২৪-২৫ বৰ্ষত ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ১১৩ শতাংশ বৃদ্ধি হৈছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই উল্লেখ কৰে। আইন শৃংখলাৰ ক্ষেত্ৰত ৰাজ্যখনৰ সুস্থিৰ পৰিৱেশৰ সৃষ্টি হোৱাৰ কথা উল্লেখ কৰি তেওঁ কয়, যে বিভিন্ন গোচৰৰ অভিযোগ নামা দাখিলৰ হাৰ পূৰ্বৰ ৪৭ৰ পৰা ৬৭ শতাংলৈ বৃদ্ধি হৈছে। নিযুক্তিৰ ক্ষেত্ৰত মাইলৰ খুঁটি হিচাপে ১ লাখ ২১ হাজাৰৰো অধিক যুৱক-যুৱতীক স্বচ্ছতাৰে নিযুক্তি দিয়া হৈছে বুলি তেওঁ উল্লেখ কৰে। ড° শৰ্মাই ইয়াৰ পূৰ্বে গুৱাহাটীৰ শ্ৰদ্ধাঞ্জলি কাণনত স্বাধীনতা সংগ্ৰামী শ্বহীদসকলৰ পবিত্ৰ স্মৃতিত পুষ্পাঞ্জলি অৰ্পণ কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আজি স্বাধীনতা দিৱসৰ কাৰ্যসূচী উলহ মালহেৰে অনুষ্ঠিত হয়। কেইবাগৰাকী মন্ত্ৰীয়ে জিলা সদৰসমূহত আয়োজিত অনুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে **বিশ্বনাথ** জিলাৰ কাছাৰী মৈদানত আয়োজিত দিৱসৰ কাৰ্যসূচীত অংশ লৈ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। অনুষ্ঠানত আৰক্ষী, অৰ্ধসামৰিক বাহিনী, কেইবাখনো বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে কুছকাৱাজত অংশগ্ৰহণ কৰে। **চৰাইদেউ** জিলা প্ৰশাসনৰ উদ্যোগত সোণাৰী ৰাজহুৱা খেলপথাৰত আজি আয়োজিত দিৱসৰ কাৰ্যসূচীত পৰিবহন মন্ত্ৰী যোগেন মহনে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি জনসাধাৰণক উদ্দেশ্যি ভাষণ দিয়ে। মন্ত্ৰীগৰাকীয়ে দেশৰ স্বাধীনতাৰ হ'কে প্ৰাণ আহুতি দিয়া সংগ্ৰামীসকলৰ স্মৃতিত শ্ৰদ্ধা জনোৱাৰ লগতে জিলাখনৰ জনসাধাৰণক উন্নয়নৰ পথত সহযোগিতা আৰু সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ আহ্বান জনায়।

**তিনিচুকীয়া** জিলাত উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই ত্ৰিৰংগ পতাকা উত্তোলন কৰি আকৰ্ষণীয় কুছকাৱাজৰ অভিবাদন গ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে নিজৰ ভাষণত ৰাজ্য চৰকাৰৰ কল্যানমূলক আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত ছাত্ৰ ছাত্ৰীসকলে মনোমোহা সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে। **ডিব্ৰুগড়** জিলাৰ প্ৰশাসনৰ উদ্যোগত খনিকৰ খেলপথাৰত আয়োজিত দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী প্ৰশান্ত ফুকনে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। এই অনুষ্ঠানত সামৰিক আৰু অৰ্ধসামৰিক বাহিনীৰ জোৱানৰ লগতে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী তথা স্কাউট এণ্ড গাইডৰ সদস্যসকলে কুছকাৱাজ কৰে। এই উপলক্ষে বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। জিলাখনৰ নামৰূপ সাৰ কাৰখানা উদ্যোগতো দিৱসৰ আয়োজন কৰা হয়। ইপিনে, দিৱস উপলক্ষে স্বেচ্ছাসেৱী সংগঠন নিশান কল্যান সমাজৰ উদ্যোগত আৰু ডিব্ৰুগড়ৰ পাইকাৰী বস্ত্ৰ ব্যৱসায়ী সংঘৰ উদ্যোগত আজি খনিকৰ বৃদ্ধাশ্ৰমত বস্ত্ৰ আৰু আহাৰ বিতৰণ কৰা হয়।

**শিৱসাগৰ** নগৰৰ বৰ্ডিং খেলপথাৰত আয়োজিত দিৱসৰ কাৰ্যসূচীত বিত্তমন্ত্ৰী অজন্তা নেওগে অংশগ্ৰহণ কৰে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে সমাজখনক বিভাজিত কৰা অপশক্তিসমূহৰ বিৰুদ্ধে এই দিনটোত পণ লবলৈ সকলোকে আহ্বান জনায়।

**বাইট ঃ অজন্তা নেওগ**

**হোজাই** জিলাৰ সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত আজি উলহ মালহেৰে এই দিৱস উদযাপন কৰা হয়। **শিলচৰ** জিলা ক্ৰীড়া সংস্থাৰ খেলপথাৰত আয়োজিত কাৰ্যসূচীত অংশ লৈ মন্ত্ৰী কৌশিক ৰায়ে ৰাজ্য চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ খতিয়ান দাঙি ধৰে। **শ্ৰীভূমি** জিলাত মন্ত্ৰী কৃষ্ণেন্দু পালে দিৱসৰ কাৰ্যসূচীত অংশ লয়। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম দেশৰ শ্ৰেষ্ঠ বিকশিত ৰাজ্য হিচাপে পৰিগণিত হোৱাৰ দিশত অগ্ৰসৰ হৈছে বুলি মন্তব্য কৰে।

**কাৰ্বি আংলং** জিলাৰ সদৰ ডিফুৰ চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। একেদৰে **ডিমা হাচাও** জিলাৰ হাফলঙত স্বায়ত্ত শাসিত পৰিষদখনৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

**মাজুলী** জিলা প্ৰশাসনৰ উদ্যোগত গড়মুৰৰ কছাৰী ময়দানত আজি উলহ মালহেৰে স্বাধীনতা দিৱস উদযাপন কৰা হয়।

**বাক্সা** জিলাৰ সদৰ মুছলপুৰত মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত কাৰ্যসূচীত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। এই উপলক্ষে দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে অসম চৰকাৰৰ বিভিন্ন আঁচনি ৰূপায়ণৰ খতিয়ান দাঙি ধৰে। জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত অনুষ্ঠানতে জিলাখনৰ ৯ গৰাকী মুক্তি যুঁজাৰু পৰিয়ালক সম্বৰ্ধনা জনোৱা হয়। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে **দক্ষিণ শালমাৰা** মানকাচৰত স্বাধীনতা দিৱসৰ

কাৰ্যসূচীত পতাকা উত্তোলন কৰে। এই অনুষ্ঠানত অসম আৰক্ষী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ লগতে ১৬ টা বাহিনীৰ কুছকাৱাজত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে এই উপলক্ষে আয়োজন কৰা দেশভক্তিমূলক সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰে। **বজালী** জিলাত ধাৰাষাৰ বৰষুণৰ মাজতে ত্ৰিৰংগ পতাকা উত্তোলন  কৰা হয়। এই উপলক্ষে দেশপ্ৰেমমূলক অনুষ্ঠানৰ আয়োজন কৰাৰ লগতে বিভিন্ন ক্ষেত্ৰৰ  ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। **ধুবুৰী** জিলা প্ৰশাসনৰ উদ্যোগত প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত কেন্দ্ৰীয়ভাৱে এই দিৱস পালন কৰা হয়। **নগাওঁ** জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই ত্ৰিৰংগ পতাকা উত্তোলন কৰাৰ লগতে ভাষণ দিয়ে।

**বাইট ঃ কেশৱ মহন্ত**

**গোৱালপাৰা** চহৰৰ জে টি এছ খেলপথাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত দিৱসৰ কাৰ্যসূচী অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নুমল মমিনে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। **তামুলপুৰত** জিলাখনৰ আয়ুক্তই স্বাধীনতা দিৱসৰ কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। এই অনুষ্ঠানত চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ এটা প্ৰতিনিধি দলো উপস্থিত থাকে। **মৰিগাওঁ** জিলাতো আজি দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উৎসাহ উদ্দীপনাৰে পালন কৰা হয়। এই উপলক্ষে টি আৰ ফুকন খেলপথাৰত আয়োজিত অনুষ্ঠানত জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। **কামৰূপ** জিলাত বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে চাংসাৰী হাইস্কুল খেলপথাৰত আয়োজিত কাৰ্যসূচীত অংশ লৈ ত্ৰিৰংগ পতাকা উত্তোলন কৰে।

০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজিৰে পৰা ২১ আগষ্টলৈ পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাৰ আয়োজন কৰা হৈছে। স্বাধীনতা সংগ্ৰামৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত এই নাটমেলাৰ আয়োজন কৰা হৈছে। প্ৰতিদিনে বিয়লি ৫ আৰু সন্ধিয়া চাৰে সাত বজাত নাটসমূহ প্ৰদৰ্শন কৰা হ'ব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মূল প্ৰৱেশদ্বাৰৰ পৰা ১৮ আগষ্ট পৰ্যন্ত নিতৌ দিনৰ ১১ বজাৰ পৰা বিয়লি ৪ বজালৈ প্ৰৱেশ পত্ৰ সংগ্ৰহ কৰিব পাৰিব। ১২ বছৰৰ অনুৰ্ধ শিশুৰ প্ৰেক্ষাগৃহত প্ৰৱেশত বাধা থাকিব। এই নাটমেলাত  আজি হিল্লোল কুমাৰ পাঠকৰ গোপীনাথ-যুগজয়ী স্বপ্নদ্ৰষ্টা নাট প্ৰদৰ্শন কৰা হৈছে। কাইলৈ গোভা ৰজা ছত্ৰচিং-অপ্ৰতিৰোধ্য দেওৰজা, ১৭ আগষ্টত মাংৰীমেম-সেউজী অগ্নিকন্যা, ১৮ আগষ্টত ব্ৰজনাথ- বিপ্লৱী অগ্নিবীৰ, ১৯ আগষ্টত জ্যোতিপ্ৰসাদ-সংগ্ৰামী জ্যোতিশিখা, ২০ আগষ্টত অম্বিকাগিৰী- অনিৰ্বাপিত একুৰা জুই আৰু ২১ আগষ্টত চন্দ্ৰপ্ৰভা-মুক্তিৰ এটি গান শীৰ্ষক নাট পৰিবেশন কৰা হ'ব।

০০০০০

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি লখিমপুৰ জিলাৰ নাওবৈচা সমষ্টিৰ তেলাহী খণ্ডৰ অন্তৰ্গত কলিতা গাঁৱত পঞ্চায়ত প্ৰতিনিধিসকলৰ এখন সভাত ভাগ লয়। সভাত সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক নৱ কুমাৰ দলে উপস্থিত থাকে। এই সভাতে অহা ২৯ আগষ্টত গৃহমন্ত্ৰী অমিত শ্বাহৰ পঞ্চায়ত সন্মিলনত অংশগ্ৰহণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে ১৭ ছেপ্তেম্বৰৰ পৰা পালন কৰিবলগীয়া সেৱা সপ্তাহৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰা হয়। ডাঃ পেগুৱে পঞ্চায়ত প্ৰতিনিধি তথা দলীয় কৰ্মকৰ্তাসকলক তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণেৰে এই কাৰ্যসূচী সফল কৰি তোলাৰ বাবে সাংগঠনিক পৰ্যায়ত সাজু হ'বলৈ আহ্বান জনায়।

হোজাই জিলাতো আজি আৱৰ্ত ভৱনত অনুষ্ঠিত এখন সভাত মন্ত্ৰী কেশৱ মহন্তই প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ অসমৰ ভ্ৰমণৰ সৈতে জড়িত বিভিন্ন কাৰ্যসূচীৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে।

০০০০০

সমাপ্ত